# জাননী

**(তাৰিখ: ২৪ আগষ্ট, ২০২৬)**

খাৰুপেটীয়া মহাবিদ্যালয়ৰ ২০২৬-২৭ শিক্ষাবৰ্ষৰ প্ৰথম ষান্মাসিকৰ ছাত্ৰীসকলক জনোৱা হয় যে, আজিম প্ৰেমজী ফাউণ্ডেচনৰ Azim Premji Scholarship 2026-ৰ বাবে আবেদন চলি আছে। এই বৃত্তিৰ উদ্দেশ্য হৈছে ছাত্ৰীসকলক উচ্চ শিক্ষা গ্ৰহণত সহায় কৰা। বৃত্তিৰ পৰিমাণ প্ৰতি বছৰে ₹৩০,০০০, আৰু প্ৰথম স্নাতক ডিগ্ৰী পাঠ্যক্ৰমৰ সম্পূৰ্ণ সময়ছোৱালৈ এই সহায় আগবঢ়োৱা হয়।

**<u>যোগ্যতাৰ চৰ্তসমূহঃ</u>**

এই বৃত্তিৰ বাবে আবেদন কৰিবলৈ ছাত্ৰীসকলে তলত দিয়া চৰ্তসমূহ পূৰণ কৰিব লাগিব—

1. আবেদনকাৰী ছাত্ৰী হ’ব লাগিব।
2. আবেদনকাৰীয়ে দশম আৰু দ্বাদশ শ্ৰেণী দুয়োটাই নিয়মীয়া ছাত্ৰী হিচাপে চৰকাৰী বিদ্যালয়/মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হ’ব লাগিব।
3. ২০২৬-২৭ শিক্ষাবৰ্ষত আবেদনকাৰীয়ে প্ৰথম বৰ্ষত নিয়মীয়া ছাত্ৰী হিচাপে স্বীকৃতিপ্ৰাপ্ত স্নাতক ডিগ্ৰী পাঠ্যক্ৰমত নামভৰ্তি কৰা হ’ব লাগিব।
4. বয়সৰ কোনো নিৰ্দিষ্ট সীমা নাই।
5. এই বৃত্তি মেধাৰ ভিত্তিত প্ৰদান কৰা নহয়; অৱশ্যে ওপৰত উল্লেখ কৰা যোগ্যতাৰ চৰ্তসমূহ পূৰণ কৰিব লাগিব।

**প্ৰয়োজনীয় নথি-পত্ৰ**

অনলাইন আবেদন কৰাৰ সময়ত তলত দিয়া নথিসমূহৰ প্ৰয়োজন হ’ব—

- শেহতীয়াকৈ তোলা পাছপ’ৰ্ট আকাৰৰ ৰঙীন ফটো
- আধাৰ কাৰ্ড
- সক্ৰিয় বেংক পাছবুকৰ প্ৰথম পৃষ্ঠা
- দশম শ্ৰেণীৰ মাৰ্কশ্বীট
- দ্বাদশ শ্ৰেণীৰ মাৰ্কশ্বীট
- **Admission Receipt**

**আবেদনৰ সময়সীমা: ৩১ আগষ্ট ২০২৬লৈ।**

সকলো যোগ্য প্ৰথম ষান্মাসিকৰ ছাত্ৰীক নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত অনলাইন আবেদন কৰিবলৈ অনুৰোধ জনোৱা হ’ল।

**অনলাইন আবেদনৰ বাবে লিংক:**
**https://azimpremjifoundation.org/what-we-do/education/azim-premji-scholarship/applications/**

**আবেদনৰ পিছত তলৰ Google form খন পূৰণ কৰিব লাগিবঃ**
**https://forms.gle/iivH3DNpCKYjqLd89**

নিৰ্দেশমৰ্মে

অধ্যক্ষ
খাৰুপেটীয়া মহাবিদ্যালয়